**অসম বিধান সভা**

**লিখিত প্ৰশ্ন ২৪৪**

**উত্তৰ দিয়াৰ তাৰিখ –১০/০৭/২০২৬**

**বিষয় : নগাঁও মহাবিদ্যালয় চিকিৎসা সন্দৰ্ভত ।**

**মো: নুৰুল হুদা,মাননীয় বিধায়ক:**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) নগাঁও চিকিৎসা মহাবিদ্যালয়ত কিমানজন চিকিৎসক আৰু কি কি বিভাগৰ চিকিৎসক আছে ? MRI মেচিনকে আদি কৰি এখন মেডিকেল কলেজ হস্পিতালত থাকিবলগীয়া পৰীক্ষাৰ যন্ত্ৰ-পাতি উন্নতমানৰ পৰীক্ষাগাৰ আছেনে ? বিতংকৈ জনাব।

খ) বৃক্ক ৰোগ নিৰাময়ৰ ডায়েলেছিচ কৰা বিচনা কিমান আছে ? বিতংকৈ জনাব।

গ) নগাঁও জিলাৰ দগাঁও আদৰ্শ চিকিৎসালয়ত কিমান চিকিৎসক, কোন কোন বিভাগৰ চিকিৎসক আৰু চিকিৎসাৰ বাবে প্ৰয়োজনীয় আচবাব, পৰীক্ষাগাৰ, যন্ত্ৰ-পাতি আদি আছেনে ? তথ্য সহ তালিকা দাখিল কৰিব।

**------উত্তৰ------**

মাননীয় চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী শ্ৰীঅশোক সিংহল মহোদয়ে উত্তৰ দিব :

**(ক) প্ৰশ্নৰ উত্তৰ :** নগাঁও চিকিৎসা মহাবিদ্যালয়ত মুঠ ১২৯ জন চিকিৎসক আছে। চিকিৎসা মহাবিদ্যালয়খনত থকা বিভাগসমূহ তলত উল্লেখ কৰা হ'ল

1. Anatomy
2. Anaesthesiology
2. Biochemistry
3. Community Medicine
4. Dermatology
5. Dentistry
6. ENT
7. Emergency Medicine
8. Forensic Medicine P & Toxicology
9. General Medicine
10. Microbiology
11. Orthopedics
12. Obstetrics
13. Opthalmology
14. Physiology
16. Pharmacology
17. Psychiatry
18. Paediatrics
19. PMR
20. Pathology
21. Pulmonary Medicine
22. Radiology

23. Radiation Oncology

নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত উন্নতমানৰ পৰীক্ষাগাৰ তথা প্ৰয়োজনীয় চিকিৎসা পৰীক্ষাৰ আধুনিক যন্ত্ৰপাতি উপলব্ধ আছে। আনহাতে, এমআৰআই (MRI) মেচিন ক্ৰয় তথা স্থাপনৰ প্ৰক্ৰিয়াও বৰ্তমান চলি আছে।

**(খ) প্ৰশ্নৰ উত্তৰ :**

নগাঁও জিলাত উপলব্ধ বৃক্ক ৰোগ নিৰাময়ৰ ডায়েলাইছিছ কৰা বিছনাসমূহৰ বিৱৰণ তলত উল্লেখ কৰা ধৰণৰ-

১. নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় : নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত বৰ্তমান ৪খন ডায়েলাইচিছ কৰা বিছনা আছে।

২. বি.পি. অসামৰিক চিকিৎসালয়: নগাঁও পুৰণি অসামৰিক চিকিৎসালয়ত ১০খন ডায়েলাইচিছ কৰা বিছনা আছে।

৩. জখলাবন্ধা মহকুমা অসামৰিক চিকিৎসালয়: এই চিকিৎসালয়খনত ৪খন ডায়েলাইচিছ বিছনা উপলব্ধ আছে।

৪. কচুৱা আদৰ্শ চিকিৎসালয়: কচুৱা আদৰ্শ চিকিৎসালয়ত ৩খন ডায়েলাইচিছ বিছনাযুক্ত এটা ডায়েলাইচিছ ইউনিট ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে আৰু ইয়াৰ মুকলিৰ বাবে যাবতীয় ব্যৱস্থা লোৱা হৈছে ।

বিঃদ্ৰঃ : নগাঁও জিলাত সৰ্বমুঠ ডায়েলাইচিছ বিছনাৰ সংখ্যা ২১খন।

**(গ) প্ৰশ্নৰউত্তৰ:**

নগাঁও জিলাৰ দগাঁও আদৰ্শ চিকিৎসালয়ত কৰ্মৰত চিকিৎসক সকলৰ তথ্য Annexure-A আৰু Annexure-B ত সংলগ্ন কৰা হৈছে ।

বৰ্তমান দগাঁও আদৰ্শ চিকিৎসালয়ত বহিঃবিভাগ (অপিডি) আৰু আইপিডি সেৱা, স্বাভাৱিক প্ৰসৱ সেৱা, এক্স-ৰে সেৱা, নিউবৰ্ণ ষ্টেবালাইজেছন ইউনিট (NBSU) আৰু পৰীক্ষাগাৰ সেৱা আগবঢ়াই থকা হৈছে। এই সেৱাসমূহ সুচাৰুৰূপে আগবঢ়াবলৈ আধুনিক প্ৰযুক্তিৰ সৈতে সামঞ্জস্য থকা প্ৰয়োজনীয় বায়'মেডিকেল সঁজুলিসমূহ ইতিমধ্যে চিকিৎসালয়খনত আছে।

#####

**** The relevant Annexures A & B have been uploaded in the National e-Vidhan Application website https://neva.gov.in/**